# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৭ চেপ্তেম্বৰত ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

## আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনী আৰু পৱিত্ৰ গুণাৱলী সম্পৰ্কে বৰ্ণনা

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হোৱা ঘটনা সমূহৰ বৰ্ণনা ধাৰাবাহিক ভাৱে চলি আছে। আজি তাৰেই এটা ইতিহাস প্ৰসিদ্ধ ঘটনা,এৰমুকৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰা হ'ব। উক্ত এৰমুকৰ যুদ্ধ ১৫ হিজৰিত আকৌ কিছুমানৰ মতে দামাস্কত বিজয়ৰ  আগত অৰ্থাৎ ১৩ হিজৰিত সংগঠিত হৈছিল। এটা ৰিৱায়ত অনুযায়ী হজৰত উমৰ (ৰাঃ)য়ে সৰ্বপ্ৰথমে এৰমুকৰ যুদ্ধত বিজয় লাভৰ সংবাদ লাভ কৰিছিল। তেতিয়া হজৰত হজৰত আবু বক্কৰ (ৰাঃ)ৰ মৃত্যুৰ মাত্ৰ বিছটা দিন পাৰ হৈছিল। কিছুমানৰ মতে আকৌ সৰ্বপ্ৰথমে দামাস্কত বিজয়ৰ সংবাদ পাইছিল আৰু এয়া সাক্ষ্য প্ৰমাণৰ ফালৰ পৰা বেছি শুদ্ধ যেন লাগে। ৰোমিয় সকলে দামাস্কত আৰু হীমচৰ পৰা পৰাজিত হৈ সীমান্তত থকা ইনজানিয়া নামক ঠাইলৈ গুচি যায়। তাতে হৰকিলে নিজৰ দৰবাৰৰ বুদ্ধিমান আৰু মৰ্যদাশীল লোক সকলৰ পৰা অভিমত বিচাৰিছিল যে আৰৱৰ যি সকল লোক তোমালোকতকৈ সা-সৰজাম আৰু যুদ্ধ নৈপুন্যতাত দুৰ্বল; তেওঁলোকে তোমালোকৰ ওপৰত কেনেকৈ বিজয় লাভ কৰি গৈ আছে? তেতিয়া সভাসদৰ উপদেষ্টা সকলে লাজত তলমূৰ কৰিছিল। কিন্তু তাতে এজন বৃদ্ধ পণ্ডিতে কৈছিল যে আৰবীয়ান সকল চৰিত্ৰৰ ফালেৰে আমাতকৈ উত্তম।তেওঁলোকে ৰাতিত ইবাদত কৰে আৰু দিনৰ বেলিকা ৰোজা ৰাখে, কাৰো ওপৰত অত্যাচাৰ নকৰে, পৰস্পৰে ভেদভাৱ নাৰাখি সমতা ৰক্ষা কৰি চলে। আনহাতে আমাৰ এই অৱস্থা যে সুৰা পান কৰো,কু-কাৰ্য্যত লিপ্ত থাকো আৰু অস্বীকাৰ কৰো,বেলেগৰ ওপৰত অত্যাচাৰ কৰো। তেওঁলোকৰ এয়া নীতি যে কামৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ আছে আৰু দৃঢ়তা দেখিবলৈ পোৱা যায়। কিন্তু আমাৰ কাম,সাহস আৰু দৃঢ়তা শূন্য। ক্যায়চৰে স্বামৰ পৰা গুচি যোৱাৰ সিদ্ধান্ত লৈছিল কিন্তু ঈছাই সকলে দলে দলে আহি অনুনয় বিনয়েৰে তেওঁৰ যোৱালৈ বাধা প্ৰদান কৰিছিল। যাৰ ফলত ক্যায়চৰে অতি আগ্ৰহেৰে নিজৰ সাম্ৰাজ্যৰ সম্পূৰ্ণ শক্তি আৰবীয়ান সকলৰ প্ৰতিদ্বন্দ্বিতাত খৰচ কৰি দিছিল। কনষ্টাণ্টিনোপল,জাজিৰা,আৰমেনিয়া আদি সকলো ঠাইৰ পৰা ফৌজ আনি ইনতাকিয়াত জমা কৰিছিল।

হজৰত আবু উবেয়দা (ৰাঃ)য়ে ক্যায়চৰৰ এই যুদ্ধ প্ৰস্তুতিৰ খবৰ পাই সকলো মুছলমান ফৌজৰ আগত গুৰুত্বপূৰ্ণ ভাষণ ৰাখি সকলোৰে পৰা পৰামৰ্শ বিচাৰিছিল। তেতিয়া এজিদ বিন আবু ছুফিয়ানে পৰামৰ্শ আগবঢ়াইছিল যে মহিলা আৰু শিশু সকলক চহৰৰ ভিতৰত ৰাখি আমি নিজে চহৰৰ বাহিৰত সৈন্য হিচাপে থিয় হৈ যাব লাগিব।

উক্ত মতৰ  ওপৰত ছুৰহাবিলে কৈছিল যে চহৰৰ বেছিৰ ভাগ লোকেই ঈছাই; এনেদৰে সুযোগ পালে তেওঁলোকে কিজানি ভিতৰতে বিদ্ৰোহ কৰি উঠিব পাৰে। হজৰত আবু উবেয়দা (ৰাঃ)য়ে কয় যে ঈছাই সকলক চহৰৰ পৰা আঁতৰাই দিয়া যাওঁক। কিন্তু ছুৰহাবিলে কৈছিল যে তেনে কৰিলে আমি দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰা হ'ব। তেতিয়া আবু উবেয়দা (ৰাঃ)য়ে নিজৰ ভুল সিদ্ধান্ত লোৱাটো নিজে উপলব্দ কৰিব পাৰিছিল। অৱশেষত সকলোৱে একমত হৈছিল যে আগতে দামাস্কাচলৈ যোৱা যাওঁক তাতে খালিদ উপস্থিত আছে আৰু আৰবৰ সীমান্তও ওচৰতে আছে। ইয়াৰ পিছত হজৰত আবু উবেয়দা (ৰাঃ)ৰ আদেশ অনুযায়ী চহৰৰ বাসিন্দা সকলৰ নিৰাপত্তাৰ বাবে সংগ্ৰহ কৰা জিজিয়া আৰু খিৰাজৰ লাখ লাখ টকা প্ৰদান কৰোঁতা সকলক আকৌ ঘূৰাই দিয়া হয়; যাৰ ফলত ঈছাই আৰু ইহুদী সকলে বৰ আনন্দিত হৈছিল আৰু মুছলমান সকলৰ প্ৰতি সদয় ভাৱ প্ৰকাশ কৰিছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে হীমচৰ বাসিন্দা সকলৰ লগতেই এনেকুৱা কৰা নাছিল বৰং সকলো জিলা যিবিলাক জয় কৰি লোৱা হৈছিল; প্ৰত্যেক জিলাতেই লিখি পঠিয়াইছিল যে জিজিয়াৰ ধন জিজিয়া প্ৰদান কৰোঁতা সকলক ঘূৰাই দিব লাগে। এই সম্পৰ্কে আৰু উল্লেখ পোৱা যায় যে প্ৰথমে হজৰত উমৰ (ৰাঃ)ক এই বিষয়টো জনোৱাত হজৰত উমৰ (ৰাঃ) য়ে নিৰ্দেশ দিছিল যে সকলো দিশ যদি তুমি চম্ভালি ল'ব নোৱাৰা তেন্তে তেওঁলোকৰ পৰা তুমি যি আদায় লৈছা আৰু জিজিয়া হিচাপে লোৱা ধন ওভতাই দিয়া।

যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)য়ে সকলো বিৱৰি হজৰত উমৰ (ৰাঃ)লৈ লিখি পঠিয়াইছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে মুছলমান সকলে ৰোমিয় সকলৰ ভয়ত হীমচলৈ গুচি  অহাৰ খবৰ পঢ়ি বৰ দুঃখিত হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে উবেয়দা (ৰাঃ)ক লিখি পঠিয়াইছিল যে মই ছুঈদ বিন আমৰক তোমালোকক সহায় কৰিবলৈ পঠাই আছো। হজৰত আবু উবেয়দা (ৰাঃ)য়ে দামাস্কত গৈ পাইছিল মাত্ৰ; এনেতে উমৰু বিন আচৰ ফালৰ পৰা খবৰ আহিছিল যে উৰদানৰ জিলা সমূহত বিদ্ৰোহৰ উদ্ভৱ হৈছে। গতিকে তাৰ পিছ দিনাখনেই হজৰত আবু উবেয়দা (ৰাঃ)য়ে উৰদানৰ সীমান্তত অৱস্থিত এৰমুকত গৈ উপস্থিত হৈছিল। তাৰ পৰা আগলৈ আৰৱ সীমান্ত ওচৰতেই আছিল আৰু মুকলি পথাৰ হোৱা হেতুকে যুদ্ধৰ পৰিস্থিতি অনুযায়ী পিছুৱাই অহাৰও সুবিধা আছিল। মুছলমান সকলে যেতিয়া ৰোমিয় সকলৰ যুদ্ধ প্ৰস্তুতি সম্পৰ্কে খবৰ পাইছিল; তেতিয়া এওঁলোকে আতংকিত  হৈ পৰিছিল। পৰিস্থিতি চাই হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)লৈ চিঠি লিখিছিল। হজৰত উমৰ (ৰাঃ)য়ে সকলো আনছাৰ আৰু মুহাজিৰিণ সকলক গোট খুৱাই সেই পত্ৰ পঢ়ি শুনাইছিল। পত্ৰত লিখিত খবৰ শুনি সকলো চাহাবায় কান্দি উঠিছিল আৰু কৈছিল যে হে আমিৰুল মোমিনিন ! আমাক আমাৰ ভাই সকলৰ লগত লৈ প্ৰাণ দিবলৈ অনুমতি দিয়ক। হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক সেনাদল হ'বলৈ আৰু চাহাবা সকলৰ লগত যাত্ৰা কৰিবলৈ পৰামৰ্শ দিয়ে কিন্তু অন্যান্য চাহাবা সকলে উক্ত অভিমতৰ বিৰোধ কৰি এই সিদ্ধান্ত আগবঢ়ায় যে আৰু সহায়ক ফৌজ পঠাই দিয়া যাওঁক। সেই সময়ত শত্ৰুসকলে আহি এৰমুকৰ পৰা তিনি চাৰি মাইল মান আঁতৰত বাহৰ পাতি ৰৈ আছিল আৰু ইফালৰ পৰা সহায় পঠোৱাৰও উপায় নাছিল। হজৰত উমৰ (ৰাঃ)য়ে এটা বৰ গুৰুত্বপূৰ্ণ পত্ৰ লিখি পত্ৰ বাহকৰ হাতত দি কৈছিল যে তুমি এই পত্ৰখন প্ৰত্যেক শাৰীৰ ওচৰত গৈ গৈ পঢ়ি শুনাবা আৰু মুখেৰে ক'বা যে উমৰে তোমালোকক ছালাম জনাইছে আৰু কৈছে যে হে ইছলামৰ অনুসৰণকাৰী সকল সাহসেৰে ৰণ কৰা আৰু নিজৰ শত্ৰু সকলৰ ওপৰত বাঘৰ দৰে জপিয়াই পৰা আৰু তৰোৱালেৰে মূৰ কাটি পেলোৱা যেনিবা তেওঁলোকে তোমালোকৰ ওচৰত এটা সামান্য পৰুৱাতকৈও দুৰ্বল। তেওঁলোকৰ এই সংখ্যাধিক্যত তোমালোকে দুৰ্বল হৈ নপৰিবা আৰু তোমালোকৰ মাজৰ যিসকলে এতিয়াও আহি তোমালোকৰ সৈতে যোগ দিয়া নাই তেওঁলোকৰ বাবে চিন্তান্বিত নহ'বা। যিদিনাখন পত্ৰ বাহকে পত্ৰলৈ উপস্থিত হৈছিল সেইদিনা খনেই সৌভাগ্যক্ৰমে ছুঈদ বিন আমৰেও এহেজাৰ সৈন্যলৈ তাত উপস্থিত হৈছিল গৈ যাৰ ফলত

মুছলমান সকলে বহুখিনি শক্তি আৰু উৎসাহ লাভ কৰিছিল।

দুয়ো পক্ষৰ ফৌজ শাৰী পাতি যুদ্ধৰ বাবে সষ্টম হৈ পৰিছিল। তাত ৰোমিয় সকলৰ সৈন্য সংখ্যা আছিল দুই লাখৰও অধিক আৰু ২৪ টা শাৰীত শ্ৰেণীবদ্ধ হৈ থিয় দিছিল। সেই শাৰী বিলাকৰ আগে আগে তেওঁলোকৰ ধৰ্মীয় নেতায় ক্ৰুছ হাতত লৈ সৈন্য সকলক উৎসাহিত কৰিছিল।

প্ৰাথমিক পৰ্যায়ৰ সংঘৰ্ষৰ পিছতে প্ৰথম দিনাখন ৰোমিয় সকলে যুদ্ধত পৰাজয় বৰণ কৰে। তাৰ পিছদিনাখন ৰোমিয় সকলে মুছলমান সকলক ধন মাল অস্ত্ৰ-সস্ত্ৰৰ লোভ দেখুৱাবলৈ নিজৰ ফালৰ দূত এজনক পঠাই দি সন্ধিৰ বাবে আলোচনা কৰিব বিচাৰে । তেতিয়া দূতজন গৈ উপস্থিত হয় তেতিয়া মুছলমান সকলে নমাজে মগৰিব পঢ়ি আছিল। দূতজনে মুছলমান সকলৰ আকৰ্ষণ,নম্ৰতা,অনুনয়,বিনয় আদি আচৰিত হৈ দেখি আছিল। নমাজ শেষ হোৱাৰ পিছত তেওঁ হজৰত আবু উবেয়দা (ৰাঃ)ক কেইটামান প্ৰশ্ন কৰে যে তোমালোকে ঈছা (আঃ)ৰ সম্পৰ্কে কেনে বিশ্বাস স্থাপন কৰা ? তেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)য়ে ছুৰা ইমৰাণৰ ৬০ নম্বৰ আয়াত আৰু ছুৰা নিছাৰ ১৭২ নম্বৰ আয়াত ১৭৩ নম্বৰ আয়াত পাঠ কৰি শুনায়। উক্ত নম্বৰৰ আয়াত সমূহ আল্লাহ তা’লা হজৰত ঈছা (আঃ)ৰ জন্ম হজৰত আদম (আঃ)ৰ জন্মৰ সৈতে ৰিজনি কৰিছে, আৰু কিতাপৰ মান্যকাৰী সকলক নচিহত কৰিছে যে ধৰ্মৰ ক্ষেত্ৰত বঢ়াই-বনাই গোলমোটল নকৰিবা। মছীহ কেতিয়াও এই বিষয়ে বেয়া পোৱা নাছিল যে তেখেতক আল্লাহ তা’লাৰ ভৃত্য হিচাপে  গন্য কৰা হওঁক। এই আয়াত শুনি দুতজনে কৈছিল যে হজৰত ঈছা (আঃ)ৰ এই গুণাৱলীয়েই আছিল আৰু নিশ্চয় তোমালোকৰ ৰছুল সত্য; এইবুলি দুতজনে মুছলমান হৈ গৈছিল। তাৰ পিছদিনাখন মুছলমান সকলৰ ফালৰ পৰা হজৰত খালিদ (ৰাঃ)য়ে দুতালোচনাৰ বাবে গৈছিল। ৰোমিয় সকলে নিজৰ শক্তি আৰু বীৰত্বৰ জোৰেৰে তেখেতক দমন কৰিব বিচাৰে কিন্তু হজৰত খালিদ (ৰাঃ)য়ে অৱজ্ঞাসূচক ভাৱে সেয়া আওকাণ কৰি দিয়ে। ৰোমিয় সকলৰ কমণ্ডাৰ বহানে ধন-মালৰ লোভ দেখুৱায় কিন্তু হজৰত খালিদ (ৰাঃ)য়ে সেয়া তুচ্ছ কৰি বাতিল কৰি দিয়ে।

দুতালোচনাৰ পিছত শেষ যুদ্ধৰ প্ৰস্তুতি আৰম্ভ হয় এই যুদ্ধৰ পিছত ৰোমিয় সকলে আৰু কেতিয়াও নিজকে চম্ভালি ল’ব নোৱাৰিছিল। এই যুদ্ধত ৰোমিয় সকলে পূৰ্ণ মনোযোগ আৰু সম্পূৰ্ণ সা-সৰঞ্জামেৰে সৈতে ৰণ ক্ষেত্ৰলৈ ওলাই আহিছিল। কিন্তু পৰিস্থিতি চাই হজৰত খালিদ (ৰাঃ)য়ে আৰবৰ সাধাৰণ নীতি অনুযায়ী পিছুৱাই গৈ নতুনকৈ সৈন্যৰ শাৰী পাতি দিয়ে। এনেদৰে ত্ৰিছ পয়ত্ৰিছ হাজাৰ সৈন্য ছয়ত্ৰিছটা ভাগত ভগাই বৰ কৌশলেৰে আৰু শৃংখলা পূৰ্ণ ভাৱে শাৰী শাৰীকৈ থিয় কৰাই দিয়ে। ভাষণ দিব পৰা ফৌজক উৎসাহ আৰু সাহস দি এক নৱ উদ্দীপনা আৰু প্ৰেৰণাৰ সৃষ্টি কৰি আছিল। মুছলমান সকলৰ বাহনীত আৰবৰ সকলো বছা বছা লোক অন্তৰ্ভুক্ত আছিল। তাৰ মাজত আছিল এশ বদৰি চাহাবা আৰু এহেজাৰ বুজুৰ্গ লোক যিসকলে ৰছুলুল্লাহ (ছাঃ)ৰ চেহেৰা মোবাৰক দৰ্শন কৰিছিল। এই যুদ্ধৰ এটা অন্যতম বৈশিষ্ট আছিল এয়া যে মহিলা সকলেও এই যুদ্ধত অংশ গ্ৰহণ কৰিছিল আৰু বৰ সাহসেৰে যুঁজ দিছিল। এই মহিলা সকলৰ মাজত আবু ছুফিয়ানৰ পত্নী হিন্দাও অংশ গ্ৰহণ কৰিছিল। তাই বৰ বীৰত্বৰে সৈতে যুঁজ দি শ্বাহাদত বৰণ কৰিছিল।

ৰোমিয় সকলৰ প্ৰাণ-প্ৰাণৰ এয়া অৱস্থা আছিল যে ত্ৰিশ হাজাৰ মান সৈন্যই যুদ্ধ ক্ষেত্ৰত প্ৰতিষ্ঠিত থকাৰ বাবে নিজৰ নিজৰ ভৰি শৃংখলিত কৰি লৈছিল। হাজাৰ হাজাৰ পাদ্ৰী আৰু বিছপে হাতত ক্ৰুশ লৈ হজৰত ঈছা (আঃ)ৰ জয়ধ্বনি দিছিল। দুই লাখ নিৰ্দয় আৰু ৰুষ্ঠ হৃদয়ৰ সৈন্য আগবাঢ়ি আহি তীব্ৰ আক্ৰমণ চলাইছিল। মুছলমান সকলে বহু পৰলৈ যুদ্ধত প্ৰতিষ্ঠিত আছিল যদিও পিছত মুছলমান সকলৰ জুটি ভাঙি গৈছিল। মহিলা সকলে মুছলমান সৈন্যক পিছুৱাই অহা দেখি সিহঁতক আগবাঢ়ি যাবলৈ উৎসাহ দিছিল। যুদ্ধৰ পৰিস্থিতি এনেকুৱা ৰূপ ধাৰণ কৰিছিল যে চাৰিওফালে লোক হাত ভৰি কটা গৈ বাগৰি পৰিবলৈ লৈছিল কিন্তু সৈন্য সকলৰ যুদ্ধ মনোবল

কোনো মতেই হ্রাস পোৱা নাছিল।

এনেতে হজৰত খালিদ (ৰাঃ)য়ে সৈন্য শাৰী ভেদ কৰি সন্মুখলৈ ওলাই আহিছিল আৰু আক্ৰমণ তীব্ৰতৰ কৰি ৰোমিয় শাৰী ছিন্ন ভিন্ন কৰি পেলাই সিহঁতক ভেদ কৰি ৰোমিয় সেনাদক্ষ দৰজাৰ সন্মুখত গৈ উপস্থিত হৈছিল। আক্ৰামা বিন আবু জাহিলে ঈছাই সকলক যুদ্ধৰ আহ্বান জনাই চাৰি শ মান লোকে মৰণৰ শৰণ লৈ আগবাঢ়ি যায় আৰু প্ৰায় সকলোৱেই তাত নিহত হৈ যায়। কিন্তু শত্ৰু সকলৰ হাজাৰ লোকক হত্যা কৰি থৈ গৈছিল। এনেতে ৰোমি বাহিনীৰ নায়ক ইবনে কানাতিৰে মিছৰা বাহিনীৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়।মিছৰা বাহিনীত বেছি ভাগেই লাহম আৰু গোছান কবিলাৰ লোক আছিল।যিসকলে বহু দিনৰ পৰাই ৰোমিয় সকলৰ লগত লেন-দেন কৰি চলি আহিছিল আৰু মানসিক ভাৱে ৰোমিয় সকলক ভয় কৰি চলিছিল। এওঁলোকে কানাতিৰৰ আক্ৰমণৰ প্ৰকোপ প্ৰতিহত কৰিব পৰা নাছিল আৰু পিছুৱাই আহিছিল। ইফালে পিছত উপস্থিত থকা মুছলমান মহিলা সকলে আগবাঢ়ি গৈ বীৰত্বৰে যুঁজি ঈছাই সকলক আগবাঢ়ি অহাত বাধা দিয়ে। ফৌজৰ সামৰিক অৱস্থা দুৰ্বল হৈ পৰিছিল কিন্তু সেনা নায়ক সকলৰ বীৰদৰ্প লক্ষণীয় আছিল। যুদ্ধত তেতিয়াও ৰোমিয় সকলৰ তীব্ৰতা প্ৰখৰ আছিল। এনেতে হঠাৎ কায়েছ বিন হাবিৰা যিয়ে মিছৰা সকলৰ দলত উপস্থিত আছিল; তেওঁ পিছৰ পৰা আগবাঢ়ি আহি আক্ৰমণত জপিয়াই পৰে। এই আক্ৰমণ এনেকুৱা তীব্ৰতৰ হৈছিল যে ৰোমিয় সকলে তিষ্ঠিব নোৱাৰি তেওঁলোকৰ শাৰীবোৰ ছেদেলি-ভাদেলি হৈ পৰিছিল আৰু লগে লগে ছঈদ বিন জায়েদ প্ৰাণটাকি যুঁজ দিয়াত ৰোমিয় সৈন্য বহু দুৰলৈ পিছহুহকি যাবলৈ বাধ্য হৈ পৰে আৰু গৈ গৈ যুদ্ধ ময়দানৰ কিনাৰত থকা এখন খালৰ পাৰত গৈ উপস্থিত হৈছিল। অলপ সময়ৰ ভিতৰতেই তেওঁলোকৰ মৃতদেহ পৰি খাল খন ভৰি গৈছিল আৰু যুদ্ধ ময়দান শূন্য হৈ পৰিছিল। মুঠতে আল্লাহ তা'লাই এই গুৰুত্বপূৰ্ণ যুদ্ধ খনত মুছলমানসকলক এক অভুতপূৰ্ব বিজয়েৰে বিভুষিত কৰিছিল। এই যুদ্ধখন উল্লেখযোগ্য হোৱাৰ কাৰণ হ'ল যেতিয়া দুয়োপক্ষৰ মাজত তুমুল যুদ্ধ চলিছিল; এজন মুছলমান সৈনিক হাবাছ বিন কায়েছ এনেকুৱা প্ৰাণ পণে যুঁজিছিল যে তাৰ ভৰি কাটি যোৱা সত্ত্বেও তেওঁ সেয়া গমেই পোৱা নাছিল।

এৰমকৰ যুদ্ধত ৰোমিয় সকলৰ ৯০ হেজাৰ নাইবা এক লাখ সৈন্যৰ মৃত্যু হৈছিল। আনহাতে তিনিশ মুছলমানৰ মৃত্যু হৈছিল। ক্যায়চৰে ইনতাকিয়াৰ পৰা পৰাজিত খবৰ শুনিবলৈ পাই তৎক্ষণাত তেওঁ কমষ্টাণ্টিনোপললৈ যাত্ৰা কৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে বিজয় বাৰ্ত্তা শুনাৰ লগে লগে ছিজদাৰত হৈ পৰিছিল আৰু খোদা তা'লাৰ শলাগ লৈছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও এই যুদ্ধ সম্পৰ্কে বিতং ব্যাখ্যা আগবঢ়াই থৈ গৈছে। এখেত (ৰাঃ) ইতিহাসৰ এজন বিজ্ঞ পণ্ডিত আছিল আৰু তেখেত (ৰাঃ)ৰ ধাৰণা আছিল যে হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ অনুমতি লৈ জিজিয়া আদি চহৰৰ ঈছাই বাসিন্দা সকলক ঘূৰাই দিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত আক্ৰামা (ৰাঃ) আৰু তেখেতৰ বাৰজন লগৰীয়াৰ নিজকে এৰি আনক প্ৰাধান্য দিয়াৰ ঘটনা বৰ্ণনা কৰোঁতে লিখিছে যে যেতিয়া যুদ্ধ শেষ হোৱাৰ পিছত আহত সকলক পানী পান কৰাবলৈ এজন লোক হজৰত আক্ৰামাৰ ওচৰত গৈছিল তেতিয়া হজৰত আক্ৰামা কৈছিল আৰু দেখুৱাই দিছিল যে তাক পানী দিয়া; তেওঁ মোতকৈ বেছি অধিকাৰী; মানুহজেন সেই আহত লোকজনৰ ওচৰত যায়; সেই লোক জনেও আন এজন আহতক ইঙ্গিতেৰে দেখুৱাই কয় তেওঁ মোতকৈ বেছি পানী পোৱাৰ যোগ্য; তাক পানী দিয়া।এনেদৰে মানুহজনে যিজন আহত সৈনিকৰ ওচৰত গৈছিল তেওঁৱেই বেলেগৰ ফালে ইঙ্গিত দি পানী দিবলৈ পঠাই দিছিল। এনেদৰে কোনেও পানী পান কৰা নাছিল। যেতিয়া লোকজনে শেষত থকা আহত ব্যক্তি জনৰ ওচৰ পাইছিল; দেখিছিল যে সেই ব্যক্তি তেখেতৰও মৃত্যু হৈছে। সকলো আহত ব্যক্তিৰ একেই অৱস্থা হৈছিল; যাৰ ওচৰত গৈছিল লোকজনে দেখিছিল যে তাৰেই ইতিমধ্যে মৃত্যু হৈছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালৰ ঘটনা আগলৈ আৰু বৰ্ণনা চলিব বুলি খোতবাৰ ইতি ৰেখা টানে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 17 SEP 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**